# Regional News Unit

## AKASHVANI, Guwahati

0000000000

**Date :** 04-06-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

যোৱা দুদিন ধৰি ৰাজ্যত বতৰ ফৰকাল হৈছে যদিও ২০ খন জিলাৰ ৬ লাখ ১৭ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৪৮৯ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ২২৩ টা আশ্ৰয় শিবিৰত ৩৯ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। যোৱা ২৪ ঘণ্টাত হাইলাকান্দি, শ্ৰীভূমি, মৰিগাঁও, কাছাৰ, শোণিতপুৰ আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকৰ বানৰ ফলত মৃত্যু হয়। এই সময়ছোৱাত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে। ধনশ্ৰী, পাঁচনৈ আৰু ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত ওৰাং ৰাষ্ট্ৰীয় উদ্যান বানৰ কবলত পৰিছে। উদ্যানখনৰ প্ৰায় ৪০ শতাংশ অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলাইছে। উদ্যানখনৰ ১২টা বন শিবিৰ জলমগ্ন হৈ পৰিছে। এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো বনৰীয়া জীৱ-জন্তুসমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ বন কৰ্মীসকলে নাৰেৰে কৰ্তব্য পালন কৰিবলগীয়া হৈছে। বানৰ বাবে উদ্যানখনৰ জীৱ-জন্তু ওখ স্থানলৈ ঢাপলি মেলা পৰিলক্ষিত হৈছে।

ooooo

ড০ ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সভাপতিত্বত আজি দিছপুৰৰ লোকসেৱা ভৱনত কৰ্ণধাৰ সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জন্ম শতবাৰ্ষিকী উদযাপনৰ কাৰ্যসূচী সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকৰ অন্তত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে ড০ ভূপেন হাজৰিকাৰ জীৱন-ভিত্তিক এখন গ্ৰন্থ প্ৰকাশ কৰা হব। অনুৰাধা শৰ্মা পূজাৰীয়ে লিখা এই গ্ৰন্থখন ২৩টা ভাষালৈ অনুবাদ কৰা হব। ৰাজ্যৰ ১০ লাখ পৰিয়াললৈ এই গ্ৰন্থখন প্ৰেৰণ কৰা হব। ইয়াৰ লগতে দেশৰ ৪ লাখতকৈও অধিক শিক্ষানুষ্ঠান, পুথিভঁৰালত এই গ্ৰন্থখন ৰখা হব বুলি তেওঁ কয়। ৮ ছেপ্টেম্বৰত হবলগীয়া শতবাৰ্ষিকী অনুষ্ঠানত এই গ্ৰন্থখন মুকলি কৰা হব।

ooooo

অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়ে আজি কামৰূপ জিলাত উপস্থিত হৈ অহা ৮ জুনত হ'বলগীয়া সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা সভা অনুষ্ঠিত কৰে। এই সভাত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ আৰু আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞাও উপস্থিত থাকে। সভাত ন'ডেল বিষয়া হিচাপে দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত গৰ্গমোহন দাসে জিলাখনত সুকলমে পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে অধ্যক্ষগৰাকীক অৱগত কৰে। কামৰূপ জিলাত এই প্ৰাৰম্ভিক পৰীক্ষা দুটা কেন্দ্ৰ ক্ৰমে দক্ষিণ কামৰূপ মহাবিদ্যালয় আৰু সৰলা বিৰলা জ্ঞানজ্যোতিত অনুষ্ঠিত হ'ব। সভাত অধ্যক্ষগৰাকীয়ে পৰীক্ষা কেন্দ্ৰত থকা নিৰাপত্তা ব্যৱস্থা, পৰীক্ষাৰ্থীক প্ৰৱেশৰ সময়ত স্ক্ৰীনিঙৰ বাবে থকা ব্যৱস্থা আৰু পৰীক্ষা কেন্দ্ৰৰ ভিতৰত যাতে কোনো ধৰণৰ ইলেক্ট্ৰনিক গেজেট বা

মোবাইল ফোন ব্যৱহাৰ কৰিব নোৱাৰে তাৰ ওপৰত গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰে। অসম লোকসেৱা আয়োগৰ নীতি-নিৰ্দেশনা অনুসৰি পৰীক্ষা সুচাৰুৰূপে আৰু নিয়াৰিকৈ পৰিচালনা কৰিবলৈ তেওঁ জিলা প্ৰশাসনক আহ্বান জনায়।

ooooo

গুৱাহাটীৰ বিশিষ্ট চিকিৎসক, কুন্তল গোস্বামী মেম'ৰিয়েল ট্ৰাষ্ট হাস্পতালৰ ন্যাসৰক্ষী পৰিষদৰ অধ্যক্ষ ডাঃ দেৱী প্ৰসাদ গোস্বামীৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত চিকিৎসকগৰাকীৰ বয়স আছিল ৯২ বছৰ। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা চিকিৎসা বিজ্ঞানৰ স্নাতক উপাধি লাভ কৰাৰ পাছত ডাঃ গোস্বামীয়ে কিছুদিন অসম চৰকাৰৰ অধীনত তেতিয়াৰ নগাপাহাৰ জিলাৰ কোহিমা আৰু মোককছাং চৰকাৰী চিকিৎসালয়ত সেৱা আগবঢ়োৱাৰ পাছত উচ্চ শিক্ষা লাভৰ বাবে নতুন দিল্লী আৰু বিদেশলৈ যায়। পৰৱৰ্তী কালত তেওঁ ডাঃ আনন্দেশ্বৰ বৰঠাকুৰে প্ৰতিষ্ঠা কৰা বৰঠাকুৰ ক্লিনিকত যোগদান কৰে। ডাঃ গোস্বামীৰ উদ্যোগতেই পূব গুৱাহাটীৰ প্ৰথমখন ব্যক্তিগত চিকিৎসা প্ৰতিষ্ঠান- ইষ্ট এণ্ড নাৰ্ছিংহোম প্ৰতিষ্ঠা হয় আৰু কালক্ৰমত ই এখন বিশিষ্ট চিকিৎসা প্ৰতিষ্ঠানৰূপে গঢ় লৈ উঠে। অকালতে মৃত্যু ঘটা চিকিৎসক পুত্ৰ কুন্তল গোস্বামীৰ সোঁৱৰণত ডাঃ দেৱী প্ৰসাদ গোস্বামীয়ে কুন্তল গোস্বামী মেম'ৰিয়েল ট্ৰাষ্ট হাস্পতাল প্ৰতিষ্ঠা কৰে।

আজি আগবেলা গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত চিকিৎসকগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হয়। ডাঃ দেৱী প্ৰসাদ গোস্বামীৰ মৃত্যুত বিভিন্ন ব্যক্তি আৰু সংগঠনে শোক কৰাৰ বাতৰি আমালৈ আহি আছে।

ooooo

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে কোকৰাঝাৰৰ নিলম্বিত শিশু উন্নয়ন প্ৰকল্প বিষয়া সূৰ্য বৰুৱাৰ বিৰুদ্ধে আজি বিশেষ ন্যায়াধীশৰ আদালতত অভিযোগনামা দাখিল কৰিছে। আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত তদাৰকী কোষে শিশু উন্নয়ন প্ৰকল্প বৰুৱাক গ্ৰেপ্তাৰ কৰিছিল। তদাৰকী সংস্থাটোৰ তদন্তত অভিযুক্ত বৰুৱাই আয়তকৈ ৪৬৫ শতাংশ অধিক সা-সম্পত্তি অৰ্জনৰ তথ্য পোহৰলৈ আহিছে। ২০১৪ চনৰ পৰা চৰকাৰী পদ মৰ্যাদাৰ অপব্যৱহাৰেৰে আয়ৰ অসমানুপাতিক সম্পত্তি আহৰণ কৰা বৰুৱা বৰ্তমান গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত কাৰাৰুদ্ধ হৈ আছে।

ooooo

তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নগাঁৱত পৰহিলৈৰ পৰা অসম সাহিত্য সভাৰ লেখক শিবিৰ অনুষ্ঠিত হব। এই শিবিৰত ৰাজ্যৰ প্ৰায় ৪৬ গৰাকী লেখক-সাহিত্যিকে অংশগ্ৰহণ কৰিব। এই সন্দৰ্ভত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জনোৱা মতে উদ্বোধনী অনুষ্ঠানত নাগালেণ্ডৰ বিশিষ্ট কবি, সাংবাদিক মনালিছা ছাংকিজা উদ্বোধক হিচাপে আৰু অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত হবলগীয়া উদ্বোধনী অনুষ্ঠানত নগাঁৱৰ বিধায়ক তথা আদৰণি সমিতিৰ সভাপতি ৰূপক শৰ্মাই আদৰণি ভাষণ দিব। এই শিবিৰত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ সূৰ্যকান্ত হাজৰিকা সন্মানীয় অতিথি আৰু উপ-সভাপতি পদুম ৰাজখোৱা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

ooooo

সমাপ্ত